# ECHO OF HIS CALL

ASSAMESE

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

**India's National Spiritual Newspaper**

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor: Sis. Bornali Thapa Raj

**Vol. XXII** YEAR OF OUR LORD JESUS CHRIST, MARCH 2022 **No. 9**


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক !

গীতমালা ৯৭ঃ১-৯

১। যিহোৱাই ৰাজত্ব কৰিছে, পৃথিৱী উল্লাসিত হওক;

২। মেঘ আৰু অন্ধকাৰ তেওঁৰ চাৰিওফালে আছে; ধাৰ্মিকতা আৰু ন্যায় বিচাৰেই তেওঁৰ সিংহাসনৰ ভিত্তিমূল।

৩। তেওঁৰ আগে আগে অগ্নি চলি, চাৰিওফালে তেওঁৰ শত্ৰুবোৰক দগ্ধ কৰিছে।

৪। তেওঁৰ বিজুলীৰ চমকে জগতখনক প্ৰকাশ কৰিলে; তাকে দেখি পৃথিৱী কম্পমান হ'ল।

৫। যিহোৱাৰ আগত পৰ্বতবোৰ মমৰ দৰে পমি গ'ল, গোটেই পৃথিৱীৰ প্ৰভুৰ সাক্ষাতে পমি গ'ল।

৬। আকাশ-মণ্ডলে তেওঁৰ ধাৰ্মিকতা প্ৰকাশ কৰিলে, আৰু সকলো জাতিয়ে তেওঁৰ গৌৰৱ দেখিলে।

৭। যিবোৰে কটা-প্ৰতিমাক সেৱা কৰে, আৰু অসাৰ বস্তুতে গৰ্ব্ব কৰে, সেই সকলো লজ্জিত হওক; হে আটাই দেৱতা, তেওঁক প্ৰণিপাত কৰা।

৮। হে যিহোৱা, তোমাৰ সুবিচাৰৰ কথা শুনি চিয়োন আনন্দিত হ'ল, আৰু যিহূদাৰ জীয়াৰীবিলাকে উল্লাস কৰিলে।

৯। কিয়নো হে যিহোৱা, তুমিয়েই সমুদায় পৃথিৱীৰ সৰ্ব্বোপৰি জনা; তুমি সকলো দেৱতাতকৈ অতি উন্নত।

## দ্ৰাক্ষালতা, ডিমৰু আৰু জৈতুন

**The Vine, the Fig and the Olive!**

*ভাই এম, পৌলৰাজ*



তামিলনাড়ুৰ লোকবিলাকৰ জীৱনত ধান, নাৰিকল আৰু কল, এই তিনিবিধ উদ্ভিদ/গছ যিদৰে জড়িত হৈ আছে ঠিক তেনেদৰে ইস্ৰায়েলবিলাকৰ জীৱনতো ওপৰত উল্লেখিত গছসমূহ জড়িত হৈ আছে। ইস্ৰায়েল দেশখন এখন পৰ্বত আৰু উপত্যকাৰে ভৰা দেশ হয়, যিয়ে বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু মিচৰ দেশত তেনেকুৱা নহয়, য'ত ইস্ৰায়েলবিলাকে ৪৩০ বছৰ দাসত্বৰ জীৱনলৈ বাস কৰিছিল, তাত ইস্ৰায়েলবিলাকে শস্য বৈ, শাক বাৰীৰ নিচিনাকৈ ভৰিৰ সহায়ত পানী দিছিল। তাত নীল নদী আছিল (দ্বিতীয় বিৱৰণ ১১ঃ১০,১১)।

ওপৰত উল্লেখিত তিনিবিধ উদ্ভিদ/গছবোৰ ইস্ৰায়েল দেশৰ প্ৰধান জীৱিকাৰ বস্তু হয়। হবক্কুক পুস্তকত ইয়াৰ প্ৰমাণ আছে। হবক্কুকে তেওঁৰ প্ৰাৰ্থনাত কয় যে, "কিয়নো যদিও ডিমৰু গছ নুফুলিব বা দ্ৰাক্ষালতাত গুটি নালাগিব, যদিও জিতবৃক্ষৰ ফল নধৰিব ... তথাপি মই যিহোৱাত আনন্দ কৰিম, মোৰ ত্ৰাণকৰ্তা ঈশ্বৰত উল্লাস কৰিম" (হবক্কুক ৩ঃ১৭,১৮)। তেওঁ কয় যে যদিও দ্ৰাক্ষালতা, ডিমৰু আৰু জিতৰ লগতে জীৱনৰ ৰক্ষা কৰা সকলো বস্তু আৰু অৰ্থনীতিৰ অভাৱ হয়, তথাপি তেওঁ ঈশ্বৰত আনন্দ কৰিব। এই গছ আৰু উদ্ভিদবোৰে ইস্ৰায়েলৰ জীৱনত ৰক্ষা কৰি ৰাখে !!!!

যীচু খ্ৰীষ্টই তেওঁৰ পৰিচৰ্য্যাৰ সময়ত তেওঁৰ শিক্ষাত প্ৰায়ে এই উদ্ভিদ/গছবোৰৰ দৃষ্টান্ত দিছিল। যীচুৱে ক'লে, "মূয়েই দ্ৰাক্ষালতা, তোমালোক ডাল; যিজন মোত থাকে, আৰু ময়ো যিজনত থাকোঁ, সেই জন বহু ফলৱান হয়; কিয়নো মোৰ বাহিৰে তোমালোকে একো কৰিব নোৱাৰা" (যোহন ১৫ঃ৫)। ইস্ৰায়েলৰ ঘৰৰ বিবাহত দ্ৰাক্ষাৰস বহুত গুৰুত্বপূৰ্ণ পনীয়া আহাৰ আছিল, কিয়নো আমি দেখো যে কান্না নগৰৰ এখন বিবাহত যীচুৰ মাক মৰিয়ম, যীচুক আৰু শিষ্যবিলাকক নিমন্ত্ৰণ কৰা হৈছিল (যোহন ২ঃ১২)। মথি পুস্তকত আমি দেখো যে যীচুৱে এটা ডিমৰু গছৰ পৰা দৃষ্টান্ত দিছিল যে যেতিয়া তাৰ ডাল কোমল হৈ, কুঁহিপাত মেলে, তেতিয়া জহ কাল ওচৰ হৈছে বুলি তোমালোকে জানা। যেতিয়া নোহে দ্বিতীয়বাৰত কপৌটো উৰোৱাইছিল, তাৰ ঠোঁটত জিত বৃক্ষৰ এটা নতুন পাত আছিল, তাৰ দ্বাৰাই পৃথিৱীৰ পানী টুটিল বুলি বুজা গ'ল। যীচু আৰু তেওঁৰ

৩ পৃষ্ঠাত চাওঁক

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



(ECHO GROUP)

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

"... মই তোমাক ৰথত তুলি পৃথিৱীৰ ওখ ঠাইবোৰৰ ওপৰত ফুৰাম আৰু তোমাৰ পিতৃ যাকোবৰ আধিপত্য তোমাক ভোগ কৰাম। কিয়নো যিহোৱাৰ নিজ মুখে ইয়াক ক'লে।" (যিচয়া ৫৮ঃ১৪)



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**CHIEF EDITOR**

**Angeline Selvakumari Henry,** M.A., M.Ed.

**MANAGING EDITOR**

**Pastor Alex Samson Sam,** B.Th., M.Div.

**ADMINISTRATION**

**Bro. N. Prakasam,** M.A., General Manager

**EDITORIAL BOARD**

**Sis. Jesy Veena Sam**
**Bro. M. Paulraj,** M.A., B.Ed.
**Sis. Serena Bevin,** M.A., M.Phil., B.Ed.



**EDITOR, PUBLISHER & PRINTER**

**Pastor S. SAM SELVA RAJ**
**Echo of His Call Printers**
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.



Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**E.mail ID**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**
Echo of His call


খ্ৰীষ্টত মোৰ প্ৰিয় বন্ধুসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ অতুলনীয় নামত প্ৰেমৰ শুভেচ্ছা জনালো।

মই আশা কৰো যে আপুনি আৰু আপোনাৰ প্ৰিয় লোকসকলে ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই ভালে আছে। মই আৰু মোৰ সহ-কৰ্মীসকলে আপোনাক তুলি আছে আৰু প্ৰতিদিনে আপোনাৰ অভাৱবোৰক গুচাবলৈ অনুগ্ৰহৰ সিংহাসনৰ আগত ৰাখিছে। আমি জানো যে গোটেই পৃথিৱীত ধ্বংসবোৰ চলি থকাৰ সময়ত আপোনাক ঈশ্বৰৰ পৰা এটা বিশেষ নিৰাপত্তাৰ প্ৰয়োজন আছে। এই পৃথিৱীত লোকবিলাকে ভয়ৰ মাজত আছে।

প্ৰতিদিনে আমি অনেক ভাই আৰু ভনীসকলৰ পৰা প্ৰাৰ্থনাৰ অনুৰোধসমূহ পাই আছো। পোষ্ট কাৰ্ড, ফোন যোগে, পত্ৰৰ যোগে, ই-মেইল ইত্যাদিৰ যোগে আমাৰ কাৰ্যালয়লৈ পঠোৱা প্ৰাৰ্থনাৰ অনুৰোধবোৰৰ এটাকো আমি অৱজ্ঞা নকৰাকৈ তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰি আছো। আপোনাক সকলো ভাই আৰু ভনীসকলৰ জীৱনত ঈশ্বৰে নিশ্চয় কাৰ্য্য কৰি আছে। গোটেই পৃথিৱীত ভাইৰাচ জ্বৰে প্ৰবলভাৱে বিয়পি থকাৰ বাবে বৃহৎ সংখ্যাৰ ঈশ্বৰৰ দাস সকলৰ আৰু বিশ্বাসীসকলে তেওঁলোকৰ আত্মিক গতি হ্ৰাস কৰিছে। আপুনিও তেওঁলোকৰ মাজৰ এজন নে?

এইটো ভাল কথা নহয়। অতীতত প্ৰাৰ্থনাৰ যোগেদি আপোনাৰ জীৱনত হোৱা আচৰিত কাৰ্য্যবিলাকৰ বিষয়ে ভাবি চাওক। আপোনাৰ প্ৰাৰ্থনাহীন জীৱন, মণ্ডলীক আৰু পালকক অৱজ্ঞা, দশমভাগ আৰু দান ইত্যাহি দিয়াত অবিশ্বাসী হোৱাৰ যোগেদি আপুনি ৰক্ষক যীচু খ্ৰীষ্টক দুখ দিছে বা বিশ্বাসঘাত কৰিছে নেকি? এতিয়া প্ৰভু ঈশ্বৰে আপোনাক আপোনাৰ পৰিস্থিতিৰ পৰা আঁতৰি আহিবলৈ আৰু এই বাৰ্তাৰ যোগেদি আগলৈ যাবলৈ আপোনাৰ আত্মাক উদগাই আছে।

কৃতজ্ঞ হৃদয়েৰে আপোনাক আত্মিক কাৰ্য্যকলাপ বিলাকক পুনৰ আৰম্ভ কৰক, কিয়নো ঈশ্বৰে আপোনাক এই পৃথিৱীত বিপদৰ পৰা ৰক্ষা কৰিছে। তেওঁ নিশ্চয়ে আপোনাৰ সকলো প্ৰয়োজনসমূহক পূৰ কৰিব। অহা দিনবিলাকত তেওঁ আপোনাক এটা ফলপ্ৰসু জীৱনত চলাব। আমি আপোনাক আমাৰ প্ৰাৰ্থনাৰ যোগেদি সহায় এই সকলো আজি পৃথিৱীত যি যি ঘটি আছে, প্ৰভু যীচুৱে এই পৃথিৱীক বিচাৰ কৰিবলৈ অহা তেওঁ দ্বিতীয় আগমনৰ বিষয়ে মনত পেলাই দিয়ে। আমাৰ প্ৰত্যেকেই বিচাৰৰ বাবে ঈশ্বৰৰ আগত থিয় হ'ব লাগিব। প্ৰভু যীচুখ্ৰীষ্টৰ বাবে বিশ্বাসী জীৱন জীয়াই থাকিবলৈ আপোনাৰ জীৱনক সমৰ্পন কৰক। আমাৰ প্ৰভু ঈশ্বৰে আপোনাক অনুগ্ৰহ দান কৰক।

দয়া কৰি তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বাবে প্ৰাৰ্থনা কৰক আৰু সহায় কৰক। অৱশ্যে, আপোনাৰ প্ৰাৰ্থনা আৰু সহায় পাবলৈ এইটোৱেই এটা উচিত সময় হয়। আমাৰ প্ৰিয় সহকৰ্মী ভাই এম, পৌলৰাজ আৰু পালক, এম, মুথু, তেওঁলোকে ৰোগৰ পৰা আৰোগ্য হ'বলৈ

আপোনালোকৰ বিশেষ প্ৰাৰ্থনাৰ বাবে কামনা কৰিছো।

বৰ্তমান আমাৰ মণ্ডলীসমূহ, স্কুল, বাসগৃহ বাইবেলসমূহ এতিয়াও আৰম্ভ হ'বলৈ আছে। অনুগ্ৰহ কৰি ভাইৰাচ জ্বৰ গুচি যাবলৈ আৰু পৃথিৱীৰ সকলো দেশসমূহৰ লোকসকলৰ উদ্ধাৰৰ বাবে প্ৰাৰ্থনা কৰক।

যদি আপোনাৰ সময় আছে, আমাৰ পৰা সতেজ খবৰ পাবলৈ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ইউ টিউব চেনেলত চাব পাৰিব। আমি আপোনালোকক অতিকৈ প্ৰেম কৰোঁ আৰু আপোনাৰ কল্যাণৰ বাবে আমি আগ্ৰহী।

ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰক।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**

পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।

(+91) 98412 71858 / 98410 71858

E.mail : samselvaraj333@gmail.com

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

শিষ্যবিলাকে প্ৰভু ভোজ খোৱাৰ পাছত তেওঁলোকে গীত গাই, বাহিৰ ওলাই, জৈতুন পৰ্বতলৈ গ'ল (মাৰ্ক ২৪ঃ২৬)। গতিকে দ্ৰাক্ষালত, ডিমৰু আৰু জিতগছক ইস্ৰায়েলৰ জীৱনৰ পৰা পৃথক কৰিব নোৱাৰি।

## দ্ৰাক্ষালতা

তুমি মিচৰৰ পৰা এজোপা দ্ৰাক্ষালতা তুমি আনিলা;
তুমি জাতিবোৰক খেদাই দি তাক ৰুলা
তুমি তাৰ আগত ঠাই যুগুত কৰিলা;
তাতে দকৈ শিপা ধৰি দেশখনকে জুৰিলে।
তাৰ ছাঁৰে পৰ্বতবোৰ ঢকা হ'ল, আৰু তাৰ ডালবোৰ
ঈশ্বৰৰ এচৰ গছৰ নিচিনা হ'ল;
সি সমুদ্ৰলৈকে নিজৰ শাখাবোৰ মেলিলে,
তাৰ গজালিবোৰ নদীলৈকে মেলিলে।
তেন্তেআটাই বাটৰুৱাবিলাকে তাক ছিঙিব পৰাকৈ,
তুমি তাৰ বেৰা কিয় ভাঙি পেলালা?
হাবিৰ বৰায়ো তাক নষ্ট কৰে,
আৰু বনৰ পশুবোৰেও তাক খায়।
হে বাহিনীবিলাকৰ ঈশ্বৰ, আমি বিনয় কৰোঁ পালটি আঁহা;
স্বৰ্গৰ পৰা তললৈ দৃষ্টি কৰি চোৱা, আৰু এই দ্ৰাক্ষালতাৰ বিচাৰ লোৱা;
তোমাৰ সোঁহাতেৰে ৰোৱা পুলিটিৰ নিজৰ নিমিত্তে
তুমি ডাঙৰ-দীঘল কৰা জালটিৰ বিচাৰ লোৱা।
(গীতমালা ৮০ঃ৮-১৫)

ইয়াত ঈশ্বৰে মিচৰৰ পৰা এটা দ্ৰাক্ষালতা উলিয়াই আনিলে, জাতিবিলাকক উলিয়াই আনি কান্নাও ৰুলে। ঈশ্বৰে ইয়াৰ পৰা ভাল ফল ওলাল বুলি আশা কৰিছিল। কিন্তু হায় হায় এইটোৱে টেঙা ফলহে দিলে। ইয়ে দকৈ শিপা ধৰি দেশখনকে জুৰিলে। ইয়াৰ প্ৰভাৱ দেশসমূহলৈ বিয়াপি গৈছিল আৰু সৰ্বপ্ৰধান ৰাজত্ব কৰিছিল। গতিকে ঈশ্বৰে বেৰাবোৰ ভাঙি পেলালে আৰু মানুহবিলাকে তাত গোসাঁই স্ব-ইচ্ছাৰে যিমান পাৰে সিমান ফল চিঙি লৈ গ'ল আৰু বনৰ পশুবোৰে আৰু ভালুকে সেইবোৰক উভালি পেলালে কিয়নো ঈশ্বৰে বেৰাবোৰক ভাঙি পেলাইছিল। আচফ ভাববাদীৰে ঈশ্বৰক বিনয় কৰি ভাঙি যোৱা বেৰাবোৰক চাবলৈ ক'লে আৰু তাত পৰিদৰ্শন কৰিবলৈ ঈশ্বৰক বিনয় কৰিলে।

ঈশ্বৰৰ দ্ৰাক্ষা-বাৰীটো ইস্ৰায়েলৰ গৃহ আছিল। ঈশ্বৰে তেওঁৰ মনোনীত লোকবিলাকক মিচৰ দেশৰ পৰা উলিয়াই আনিছিল, য'ত তেওঁবিলাকে মোচীৰ নেতৃত্বৰ অধীনত দাসত্বত আছিল। তেওঁ কনানীয়বিলাকক তাৰ পৰা খেদি তেওঁৰ লোকবিলাকক তাত ৰাখিলে। তেওঁবিলাকে কনান দেশত সংখ্যাত বৃদ্ধি হ'ল আৰু দায়ুদৰ নেতৃত্বৰ অধীনত এটা শক্তিশালী জাতি হ'ল। তেওঁ তেওঁৰ শত্ৰুবোৰৰ পৰা জয়ী হ'ল আৰু তেওঁবিলাকক জৰিমনা দিবলৈ ক'লে। কিন্তু চলোমনৰ ৰাজত্বৰ সময়তো দেশৰ পতন হ'বলৈ আৰম্ভ হ'ল কিয়নো পৰজাতীয় তিৰোতাবিলাকক বিয়া কৰিছিল আৰু পৰজাতীয় দেৱতাবোৰক তেওঁ পূজা কৰিছিল। তেওঁৰ পুত্ৰ ৰহবিয়ামৰ ৰাজত্বকালত দেশখন ইস্ৰায়েল আৰু যিহূদাৰ ৰূপত দুভাগ হৈছিল।

ইস্ৰায়েলৰ লোকবিলাকে চমৰীয়াক আৰু যিহূদাৰ লোকবিলাকে যিৰূচালেমক মুখ্য কাৰ্যালয় বনালো। যাৰবিয়াম ইস্ৰায়েলৰ প্ৰথম ৰজা আছিল, তেওঁ দুটা সোণৰ দামুৰি নিৰ্মাণ কৰাই এটা বৈৎএলত আৰু আনটো দানত স্থাপন কৰিলে। তেওঁ ভাবিছিল যে সেইবোৰ সিঁহতৰ দেৱতা হয়, যিবোৰে সিঁহতক মিচৰৰ পৰা আনিছিল, এইভাৱে বাহিনীবিলাকৰ যিহোৱাক আনন্দ কৰিছিল, যিজনে তেওঁবিলাকক ফৰৌণৰ হাতৰ পৰা উদ্ধাৰ কৰি আনিছিল। যদিও তেওঁবিলাকে মোচি আৰু যিহোচুৱাৰ নেতৃত্বৰ দ্বাৰাই চলি আহিছিল এই কাৰ্য্যক প্ৰকৃততে ঈশ্বৰহে কৰিছিল, ৰজাৰ হাতৰ পৰা কৰি তেওঁলোকক কনান দেশত ৰাখিছিল। কালক্ৰমে তেওঁবিলাকে সৰ্বশক্তিমান ঈশ্বৰক অস্বীকাৰ

### Statement about ownership and other particulars about the Newspaper Echo of His Call (Assamese) - Form IV (See Rule 8)

| | | |
|---|---|---|
| 1. Place of Publication | : | **New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah Sahib 2nd Street, Chepauk, Chennai - 600 005.** |
| 2. Periodicity | : | **Monthly** |
| 3. Printer, Editor, Owner & Publisher | : | **S. Sam Selva Raj** (Same Address) |
| 4. Nationality | : | **Indian** |

I **S. Sam Selva Raj**, hereby that the particulars given above are true to the best of my knowledge and belief.

**March 2022** **S. Sam Selva Raj.**

কৰিলে আৰু বিদেশী বিলাকৰ দেৱতাবোৰৰ পিছে পিছে গৈছিলে। আচফ ভাববাদীয়ে দেশখনৰ ধ্বংসাৱশেষ আৰু দমবোৰ দেখি শোক কৰিছিল, কিয়নো তেওঁবিলাকৰ বিশ্বাসঘাতকতাক দেখি ঈশ্বৰে তেওঁৰ নিৰাত্তাক গুচাই দিছিল।

যি দ্ৰাক্ষালতাই ভাল ফল দিব লাগিছিল টেঙা ফল দিছিল। আৰু নিজৰ ধ্বংস মাতি আনিছিল।

আনকি আজিও মানুহবিলাকে যীচুৰ তেজৰ যোগেদি ঈশ্বৰৰ কাষত আহে, অলপ দিনলৈকে জিলিকি থাকে আৰু ঈশ্বৰৰ পৰা দূৰলৈ গুচি যায় আৰু চয়তানৰ ওচৰলৈ যায়।

তেওঁবিলাকে কেতিয়াও উপলব্ধি নকৰে যে চয়তানে তেওঁবিলাকক বিনাশৰ ফালে চলায় নিয়ে কিয়নো সি এটা চুৰ হয় যিজনে চুৰ, বধ আৰু বিনাশ কৰিবলৈহে আহে (যোহন ১০ঃ১০)। আমি সৰ্তক হ'ব লাগিব আৰু চয়তানৰ ধূৰ্ততাৰ বিৰুদ্ধে নিজকে ৰক্ষা কৰি চলিব লাগে নহ'লে আমাৰ পূৰ্বপুৰুষ ভাগ্যৰ আমি সন্মুখীন হ'ব লাগিব।

দ্ৰাক্ষালতা এটা প্ৰিয় আৰু ধুনীয়া ফল হয়। এইটো এটা ঋতু ভিত্তিক উদ্ভিদ হয়। খেতিয়কজনে মাটি প্ৰস্তুত কৰাত বহুত প্ৰয়াস কৰে, ইয়াক খান্দে আৰু সাৰুৰা কৰে। এই উদ্ভিদটো যেতিয়া বাঢ়ি-বাঢ়ি যায় তেতিয়া ইয়াক ‘পাণ্ডাল’ৰ ওপৰলৈ যাবলৈ দিয়া হয়। যি ডালবোৰে ফল নিদিয়ে সেইবোৰক কাটি পেলোৱা হয় আৰু ফল দিয়া ডালবোৰকহে বাঢ়িবলৈ দিয়া হয়। খেতিয়কজনে সঠিককৈ ডালবোৰক চিনাক্ত কৰিব পাৰে। যীচুৱে কৈছিল, “ময়েই প্ৰকৃত দ্ৰাক্ষালতা; মোৰ পিতৃ খেতিয়ক।? মোৰ যি যি ডালত গুটি নধৰে তেওঁ সেইবোৰ গুচাই পেলায় আৰু যি যি ডালত গুটি ধৰে সেইবোৰত আৰু অধিক গুটি ধৰিবলৈ, পৰিষ্কাৰ কৰি দিয়ে” (যোহন ১৫ঃ১,২)

দ্ৰাক্ষালতা দৰে, ভাৰতৰ বিভিন্ন প্ৰান্তত বিশেষকৈ তামিলনাডুত এবিধ তামোল গছ গজে। এইবিধো দ্ৰাক্ষালতাৰ দৰে বাঢ়ে। মোৰ সম্পৰ্কীয় এজনৰ বাৰীত তামোলৰ গছ আছে। বাৰীৰ বাবে বিশেষকৈ মাটি বাচি লোৱা হয় আৰু যুগুত কৰা হয়। মাটিৰ ওপৰৰ অংশৰ ৪-৫ ফুট গভীৰতালৈকে গুচাই দিয়া হয় আৰু অৰ্ন্তভূমিটোক ভালকৈ খন্দা হয় আৰু আন ঠাইৰ অনা বিশেষ মাটি বালিৰ সৈতে মিহলি কৰা হয় আৰু ২-৩ ফুট ওখলৈকে ভৰোৱা হয়। যত্ন লোৱা হয় যাতে আন গছবিলাকৰ শিপাবোৰ ভিতৰে-ভিতৰে ৰাস্তা বনাই বাৰীৰ ভিতৰলৈকে নাহে। পোনে-পোনে লাইন কৰি খন্দা হয় আৰু তাত বালিৰে মিহলোৱা মাটি ভৰোৱা হয়। আৰু তেতিয়া নিয়মীয়া বিৰতিত পুলি (তামোল গছৰ ডালৰ এটা অংশ) ৰোৱা হয়। ইয়াক সাৰধানে পানী দিয়া হয় যাতে পানী তাত জমা হৈ নাথাকে। পুলিটোৰে পোখা মেলে আৰু বাঢ়িবলৈ আৰম্ভ কৰে। বাঢ়ি যোৱা দ্ৰাক্ষালতাক এটা জীয়া লাঠিৰে এৰাল দিয়া হয়। সাধাৰণতে লাঠিটো কোমল গছৰ জাল হ'ব লাগিব। যেনেঃ কপাহ গছ, চজিনা আৰু বনৰীয়া চজিনা গছৰ ডাল। কপাহ গছ বাঢ়ি যোৱাৰ পাছত গুটি দিয়ে, গুটিৰে বাঢ়ি যোৱাৰ পাছত তাৰ ভিতৰত কপাহৰে ভৰি থাকে। সেই কপাহৰ পৰা গাৰু আৰু বিছনা বনোৱা হয়। চজিনা এবিধ প্ৰশংসনীয় গছ হয় ইয়ে পাত দিয়ে আৰু ফলো দিয়ে। ইয়াৰ পাতবোৰক পাচলিৰ দৰে (সেউজীয়া) ব্যৱহাৰ কৰা হয়। কোমল ডালবোৰ শুকাই যোৱাৰ আগতে ৰোৱা হয়। কোমল চজিনাৰ তৰকাৰী আমি হোটেলত আৰু ঘৰতো খাওঁ। বনৰীয়া চজিনাৰ পাতবোৰক সাৰ বনাবৰ বাবে ব্যৱহাৰ কৰা হয় আৰু গা-গছৰ টান অংশটো নাও আৰু এটা বিশেষ নৌকা বনোৱাত ব্যৱহাৰ কৰা হয়। কিছুমান মানুহে আয়ৰ অতিৰিক্ত উৎস হিচাবে কল খেতি কৰে।

কুমলীয়া তামোলৰ পাতবোৰক অৰ্থকাৰী শস্যৰ দৰে গণ্য কৰা হয়। এইবোৰক চিকিৎসা বিষয়ক উদ্দেশ্যত ব্যৱহাৰ কৰা হয়। মানুহে ইয়াক চুপাৰী আৰু চুনৰ লগত চোবাই খায়। সাধাৰণতে বৃদ্ধসকলে অভ্যাস হিচাপে ব্যৱহাৰ কৰে। কিছুমান মানুহে আনকি ইয়াৰ প্ৰতি আসক্ত হৈ গৈছে।

ইয়াত প্ৰায় বিশুদ্ধতা বজায় ৰখা হয়। সকলো মানুহে প্ৰত্যেক সময়ত বিশেষকৈ মহিলাসকলক তামোল বাগানত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া নহয়।

## দ্ৰাক্ষালতাৰ বাৰীত ডিমৰু গছ

এবাৰ যীচুৱে দ্ৰাক্ষালতাৰ বাৰীত ডিমৰু গছ প্ৰত্যক্ষ কৰে। তেওঁ তাত ফল দেখি নাপালে। কিন্তু কেৱল পাতহে লাগি আছিল। গৰাকীজনে তিনি বছৰ ধৰি ডিমৰু গছজোপাক চাই আছিল। কিন্তু তাত ফল ধৰা নাছিল। তেতিয়া গৰাকীজনে

৬ পৃষ্ঠাত চাওঁক


নহিমিয়া বাইবেল সন্ধ্যা/আবাসিক মহাবিদ্যালয়, চেন্নাই

মাধ্যম ঃ হিন্দী/তামিল

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL ★ Estd. 1969

প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া
ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক!

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
✶ ONLINE CLASSES ARE AVAILABLE ✶

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২২ চনৰ ১৯ মাৰ্চৰ পৰা ২০২২ চনৰ ১৮ এপ্ৰিললৈ**

## প্ৰশংসাৰ বিষয়সমূহ

মাৰ্চ ১৯ ঃ আমাৰ অতি প্ৰিয় ভাই এম. পৌলৰাজ, সহকাৰী সম্পাদক আৰু পালক এম. মুথু, নহিমিয়া বাইবেল কলেজৰ সভাপতি প্ৰভুৰে স্বাস্থ্যৰ যত্ন লোৱাৰ বাবে প্ৰশংসা কৰো।

মাৰ্চ ২০ ঃ আমাৰ বিব্লিকৰ আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰমবোৰক আশীৰ্বাদ কৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

মাৰ্চ ২১ ঃ ১৯৬৯ চনৰ পৰা আমাৰ আলোচনী পৰিচৰ্য্যাৰ ওপৰত ঈশ্বৰৰ আশীৰ্বাদৰ বাবে প্ৰশংসা কৰো।

মাৰ্চ ২২ ঃ আমাৰ আলোচনী পৰিচৰ্য্যাৰ যোগেদি শুভবাৰ্তা গৈ নোপোৱা ঠাইত শুভবাৰ্তা পোৱাত ঈশ্বৰৰ আশীৰ্বাদ থকাৰ বাবে প্ৰভুক প্ৰশংসা কৰো।

মাৰ্চ ২৩ ঃ যোৱা মাহত ঈশ্বৰে আমাৰ প্ৰয়োজনীয়সমূহ যোগাই দিয়াৰ বাবে প্ৰশংসা কৰো।

মাৰ্চ ২৪ ঃ প্ৰভুক ধন্যবাদ জনাও কাৰণ আমাৰ জ্যেষ্ঠ পালকক বিভিন্ন পৰিচৰ্য্যাবোৰৰ যোগেদি শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ।

মাৰ্চ ২৫ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনীৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

মাৰ্চ ২৬ ঃ আমাৰ নহিমিয়া বাইবেল কলেজকেইখনক আশীৰ্বাদ কৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

মাৰ্চ ২৭ ঃ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বনৰ স্কুলৰ অধ্যক্ষ, শিক্ষকসকল আৰু সহকৰ্মীসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

মাৰ্চ ২৮ ঃ আমাৰ শুভবাৰ্তা ছপা কৰা ছপাশাল আৰু ইয়াত দক্ষতাসম্পন্ন কৰ্মীসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

মাৰ্চ ২৯ ঃ আমাৰ ৰাজ্যিক সহ-পৰিচালকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

মাৰ্চ ৩০ ঃ ক'ভিড-১৯ ৰ সময়ছোৱাত আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাসমূহৰ কাৰ্য্যক্ৰবিলাকত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

মাৰ্চ ৩১ ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, বিশ্বাসৰ অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু মহান আজ্ঞাৰ অংশীদাৰীসকল আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

এপ্ৰিল ১ঃ আমাৰ মণ্ডলীলৈ নতুন বিশ্বাসীসকলক আশীৰ্বাদ কৰাৰ বাবে ঈশ্বৰক আমি প্ৰশংসা কৰো।

এপ্ৰিল ২ ঃ আমাৰ জাতিক ঈশ্বৰে নিৰাপত্তা দিয়াৰ বাবে প্ৰশংসা কৰো।

এপ্ৰিল ৩ ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালক সকলো দুষ্টশক্তিৰ ৰক্ষা কৰাৰ বাবে ঈশ্বৰক ধন্যবাদ জনাও।

## প্ৰাৰ্থনাৰ বিষয়সমূহ

এপ্ৰিল ৪ ঃ আমাৰ ইংৰাজী সহকাৰী সম্পাদক ভাই এম. পৌলৰাজ আৰু পালক এম. মুথু, আমাৰ নহিমিয়া বাইবেল কলেজৰ সভাপতিক যেন সম্পূৰ্ণ আৰোগ্য প্ৰদান কৰে তাৰ বাবে প্ৰাৰ্থনা কৰক।

এপ্ৰিল ৫ ঃ সকলো জাতিৰ ঐক্য আৰু শান্তিৰ বাবে প্ৰাৰ্থনা কৰক।

এপ্ৰিল ৬ ঃ আমাৰ জ্যেষ্ঠ পালকৰ আত্মজীৱনীখন যেন কোনো বাধা নোহোৱাকৈ ঈশ্বৰৰ আশীৰ্বাদৰ দ্বাৰাই সম্পূৰ্ণ কৰিব পাৰে তাৰ বাবে প্ৰাৰ্থনা কৰক।

এপ্ৰিল ৭ ঃ আমাৰ অনুষ্ঠান, সকলো কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালে যেন লাভান্বিত হয় তাৰ বাবে আহক আমি প্ৰাৰ্থনা কৰো।

এপ্ৰিল ৮ ঃ আমাৰ অনলাইন হিন্দী থিয়'ল'জিকে ক্লাছবোৰৰ বাবে প্ৰাৰ্থনা কৰক।

এপ্ৰিল ৯ ঃ আমাৰ নহিমিয়া বাইবেল কলেজ আৰু ইয়াৰ বৃদ্ধিৰ বাবে প্ৰাৰ্থনা কৰক।

এপ্ৰিল ১০ ঃ ক'ভিড-১৯, অমিক্ৰম ভাইৰাচ সংক্ৰমৰ সময়ত বিশেষভাৱে যত্ন ল'বলৈ ঈশ্বৰক প্ৰাৰ্থনা কৰক।

এপ্ৰিল ১১ ঃ ড্ৰাগছ আসক্ত আৰু চয়তানৰ বন্ধনত থকাসকলে সম্পূৰ্ণ উদ্ধাৰ পাবলৈ প্ৰাৰ্থনা কৰক।

এপ্ৰিল১২ ঃ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক যাতে আমাৰ সকলো আৰ্থিক আৰু শাৰীৰিক প্ৰয়োজনীয়বোৰ যোগাই দিয়ে।

এপ্ৰিল ১৩ ঃ আমাৰ দেশ একতাত আৰু উন্নতিত শক্তিশালী হ'বলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

এপ্ৰিল ১৪ ঃ আমাৰ উত্তৰ ভাৰতৰ মিশ্বনেৰীসকল আৰু তেওঁবিলাকৰ কল্যাণৰ বাবে প্ৰাৰ্থনা কৰক।

এপ্ৰিল ১৫ ঃ শুভবাৰ্তা গৈ নোপোৱা ঠাইত যেন আমি শুভবাৰ্তাক লৈ যাবলৈ সমৰ্থ হও তাৰ বাবে প্ৰাৰ্থনা কৰক।

এপ্ৰিল ১৬ ঃ সকলো ধৰ্মৰ মাজত যেন একতা থাকে তাৰ বাবে প্ৰাৰ্থনা কৰক।

এপ্ৰিল ১৭ ঃ আমাৰ পৰিচ্যা সকলো উপায়েৰে বৃদ্ধি হ'বলৈ প্ৰাৰ্থনা কৰক।

এপ্ৰিল ১৮ ঃ আমাৰ পৰিচয্যাৰ সৈতে জড়িত কৰ্মচাৰীসকলৰ দৰমহা, ছপা কৰা কাগজৰ খৰচ, ডাক খৰচ আৰু যাতায়ত খৰচ আদিৰ আৰ্থিক সহায়ৰ বাবে প্ৰাৰ্থনা কৰক।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

বাৰী ৰখীয়াজনক গছজোপাক কাটি পেলাবলৈ ক'লে, কিয়নো গছজোপাই এনেই বাৰীৰ মাটিক দখল কৰি আছিল। কিন্তু বাৰীত কাম কৰা মানুহজনে আৰু এবছৰ ৰাখিবলৈ গৰাকীৰ ওচৰত বিনয় কৰি ক'লে, তেওঁ সেই বছৰৰ ভিতৰত গছজোপাৰ চাৰিওফালে খান্দি তাত সাৰ দিব।

যীচুৱে ফলাফল দিয়াৰ গুৰুত্বতাৰ বিষয়ে কৈছিল, তেওঁ ইয়াক দ্ৰাক্ষাবাৰীত থকা ডিমৰু গছৰ দৃষ্টান্তৰ দ্বাৰাই বুজাব বিচাৰিছিল (লূক ১৩ঃ৬-৯)। ডিমৰু গছ দ্ৰাক্ষাবাৰীত থকাটো হ'ব নোৱাৰে। কিন্তু তাত ইয়াৰ অস্তিত্বৰ ন্যায্যতাৰ প্ৰমাণ দেখুওৱাবলৈ গছটোৱে ফল দিব লাগিব।

দ্ৰাক্ষাবাৰীয়ে ইস্ৰায়েল লোকবিলাকক প্ৰতিনিধিত্ব কৰিছে। ডিমৰু গছটো হৈছে পৰজাতিবিলাক যিবিলাকে ইস্ৰায়েলবিলাকৰ খৰচত মুদ্ৰা পাইছিল। প্ৰভুৱে পৰজাতিবিলাকে ফলাফল/ফল দিব বুলি আশা কৰছিল। ঈশ্বৰৰ বিধান এইয়ে যে যি গছে ফল নিদিয়ে তাক কাটি জুইত পেলোৱা হ'ব (মথি ৩ঃ১০)। গতিকে ডিমৰু গছ/পৰজাতিবিলাকে তেওঁবিলাকৰ অস্তিত্বৰ বাবে উত্তম ফল দিব লাগিব।

এই মালীজন, যীচুখ্ৰীষ্টই আৰু এবছৰ ডিমৰু গছজোপাক ৰাখিবলৈ বিনয় কৰে আৰু সেই সময়ত তেওঁ গছজোপাৰ বাবে আৰু অধিক মনোযোগ দিব আৰু আন-আন সাৰ আৰু যোগানবোৰ দিব। ইয়াত গছজোপালৈ বিশেষ যত্ন দিয়াক বুজায় যে পবিত্ৰ আত্মাক বাকী দিব যিজনে বিশ্বাসীবিলাকক শক্তিশালী হোৱাত সহায় কৰিব আৰু ফলৱান কৰিব। অধিক ফল দিবলৈ হ'লে, যীচুৱে লোকসমূহক তেওঁত লাগি থাকিবলৈ কয়। (যোহন ১৫ঃ৫)।

পিতৃ ঈশ্বৰে, যিজনে স্বৰ্গৰ সিংহাসনত বহে, তেওঁৰ চকুৱে মানুহক দেখে তেওঁৰ চকুৰ পিৰটিয়ে মনুষ্য-সন্তানবিলাকক পৰীক্ষা কৰে (গীতমালা ১১ঃ৪)। তেওঁ ধাৰ্মিকৰ বিচাৰক হয়। আৰু তেওঁ ধাৰ্মিকতা আৰু সত্যৰে জগতক তথা মানুহবিলাকক বিচাৰ কৰিব।

কিয়নো তেওঁ আহিছে, তেওঁ পৃথিৱীৰ বিচাৰ কৰিবলৈ আহিছে।

তেওঁ ধাৰ্মিকতাৰে জগতখনক আৰু নিজ বিশ্বস্ততাৰে জাতিবিলাকৰ বিচাৰ কৰিব (গীতমালা ৯৬ঃ১৩)।

পৃথিৱীৰ মানুহবিলাকক (পৰজাতি) আন্ধাৰৰ পৰা উলিয়াই আনিবলৈ ঈশ্বৰৰ ওচৰৰ এটা বিশেষ পৰিকল্পনা আছে। চয়তানলৈ তাৰ মূল্য দিবলৈ আৰু তেওঁৰ হাতৰ পৰা তেওঁবিলাকক উদ্ধাৰ কৰিবলৈ তেওঁৰ একমাত্ৰ পুত্ৰ যীচু খ্ৰীষ্টক জগতলৈ পঠালে। যীচুৱে তেওঁৰ নিজ তেজ বোৱাই আমাৰ প্ৰত্যেকলৈ মূল্য দিলে। যদি কোনোৱে ক্ৰুচলৈ চাই যীচু খ্ৰীষ্টই তেওঁৰ পৰিত্ৰানৰ বাবে মৰিলে বুলি পাপ স্বীকাৰ কৰে, তেন্তে তেওঁৰ পাপ ক্ষমা কৰিব আৰু তেওঁবিলাকক তেওঁৰ নিজ সন্তান আৰু কন্যা বুলি গণ্য কৰিব (যোহন ১ঃ১২,৩ঃ১৬)।

ঈশ্বৰে বিদ্ৰোহী পৌলক পৰজাতিবিলাকলৈ শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ উঠাই আনিলে। আমাৰ প্ৰভুৱে প্ৰত্যেকৰ পৰিত্ৰাণৰ চিন্তা কৰে, যাতে কোনোৱেও নষ্ট নহয়। তেওঁৰ নিজ, ইস্ৰায়েললোকবিলাকে প্ৰভু যীচু খ্ৰীষ্টক তেওঁবিলাকৰ মছীহা বুলি গ্ৰহণ নকৰিলে আৰু বিপথে গ'ল। তেওঁবিলাকে মন কঠিন কৰিলে আৰু দ্ৰাক্ষাবাৰীত ডিমৰু গছে ঠাই পোৱাৰ দৰে পৰজাতি বিলাকলৈ পথ মুকলি কৰিলে। তাত ঠাই পোৱাৰ পিছত তেওঁবিলাকে ফল দেখুৱাব লাগিব।

## জিত গছ

জলফাই এবিধ ফল, ইস্ৰায়েল দেশৰ এটা গুৰুত্বপূৰ্ণ শস্য হয়। জলফাই আৰু দ্ৰাক্ষালতা ইস্ৰায়েল দেশৰ আচল শস্য আৰু ইয়াক এই দেশৰ বিভিন্ন প্ৰান্তত উৎপন্ন কৰা হয়। জলফাইৰ তাত বহুত মূল্য আছে, কিয়নো ইয়াৰ পৰা তেল উলিওৱা হয়। গোটেই পৃথিৱীতে জলফাই তেল সুপৰিচিত আছে।

আমি দেখিছো যে জলফাই তেলৰ মূল্য আছে। আমি বাইবেলত এটা ঘটনা দেখিবলৈ পাওঁ। এজন ভাববাদীয়ে ধাৰত পোত গৈ আছিল। তেওঁৰ পাওনাদাৰ বিলাকে আহি বিধৱাগৰাকীক ধন ঘূৰাই বিচাৰিছিল, নহ'লে তাইৰ দুজন ল'ৰাক চাকৰ হিচাবে দিবলৈ কৈছিল। কি কৰো কি নকৰো হৈ বিধৱাগৰাকীয়ে ইলীচা ভাৱবাদীৰ ওচৰলৈ দৌৰ মাৰি গ'ল আৰু এইদৰে বৰ্ণাই ক'লে, "মই তোমাৰ নিমিত্তে কি কৰিব পাৰো? কোৱাচোন তোমাৰ ঘৰত কি আছে? সেই দৰিদ্ৰ তিৰোতাজনীয়ে ক'লে, ঘৰত একুপা তেলৰ বাহিৰে একোৱেই নাই। ভাববাদীয়ে তাইক ওচৰ-চুবুৰীয়াৰ পৰা শুদা পাত্ৰ যিমান পাৰে সিমান খুজি আনিবলৈ ক'লে আৰু তাই তেনে কৰিলে। ইলিচাই তাইক দুৱাৰ বন্ধ কৰিবলৈ ক'লে আৰু পাত্ৰবোৰত তেল ঢালিবলৈ ক'লে। তাই পাত্ৰবোৰত তেল ঢালিলে আৰু তাইৰ পুত্ৰই ক'লে আৰু পাত্ৰ নাই। তেতিয়া তেলৰ ধাৰ বন্ধ হ'ল। ভাববাদীয়ে তাইক ক'লে, যোৱা, তেল বেচি তোমাৰ ধাৰ শুজাগৈ, আৰু অৱশিষ্ট যি থাকিব, তাৰে তোমাৰ জীৱিকা চলাবা" (২ ৰাজাৱলি ৪ঃ১-৭)। জলফাই তেলৰ বাবেহে তেওঁৰ ধাৰ শুজিবলৈ সহজ হ'ল।

ৰোমীয়া ১১ঃ১৭ পদত পৌলে, ত্ৰাণকৰ্ত্তাক অস্বীকাৰ কৰা ইস্ৰায়েলবিলাকৰ খৰচত পৰজাতিবিলাকৰ পৰিত্ৰাণৰ সম্বন্ধক স্থাপন কৰিছে।

কেতবোৰ ডাল যদি ভাঙি পেলোৱা হ'ল আৰু তুমি বনৰীয়া জলফাই গছ হয়ো যদি সেইবোৰৰ মাজত কলম স্বৰূপে লগোৱা হ'লা (ৰোমীয়া ১১ঃ১৭)।

পৌলে ইস্ৰায়েলবিলাকৰ খৰচত পৰজাতিবিলাকৰ পৰিত্ৰাণৰ সম্বন্ধক স্থাপন কৰিছে। এই গতিকে জলাফাই গছৰ কিছুমান ডাল ভাঙি পেলোৱা হ'ল আৰু সেইবোৰৰ ঠাইত বনৰীয়া জলফাই গছবোৰক (পৰজাতিবিলাক) লগোৱা হ'ল। প্ৰভু যীচুৱে কৈছিল, "...কিয়নো যিহূদী লোকৰ মাজৰ পৰাই পৰিত্ৰাণ হয়" (যোহন ৪ঃ২২)। পৌলে কৈছে, "...পৰজাতি লোকৰ পৰিপূৰ্ণতা নোহোৱালৈকে কিছু পৰিমাণে ইস্ৰায়েল লোকৰ কঠিনতা জন্মিল" (ৰোমীয়া ১১ঃ২৫)। ইস্ৰায়েল লোকৰ হৃদয়ত কিছুপৰিমাণে কঠিনতা জন্মিল আৰু পৰজাতি লোকৰ পৰিপূৰ্ণতা নোহোৱালৈকে তেওঁলোক তেনেই থাকিব। গতিকে, পৰজাতিবিলাকৰ বাবে পৰিত্ৰাণ পাবলৈ এইটোৱেই সুযোগৰ সদব্যৱহাৰ সময় আৰু তেওঁলোকক ঈশ্বৰৰ ৰাজ্যত প্ৰৱেশ যুগুত কৰিব লাগিব।

ঈশ্বৰে তেওঁৰ লোকসমূহক পৃথিৱীৰ পৰা আহ্বান কৰি বিশেষ বৰদান দিছে, এইবোৰ আনৰ বাবে নহয়। গতিকে, ঈশ্বৰৰ যি অনুগ্ৰহৰ বৰ আৰু আমন্ত্ৰণ, সেয়ে খেদহীন (ৰোমীয়া ১১ঃ২৯)।

গতিকে চিয়োনৰ পৰা উদ্ধাৰকৰ্ত্তা আহিব আৰু তেওঁ যাকোবৰ পৰা অবিশ্বাসক আঁতৰাব।

ৰেপচাৰ হোৱাৰ পাছত, পৰিত্যাগ হোৱা ইস্ৰায়েলবিলাকে ঈশ্বৰৰ ৰাজ্যৰ উত্তৰাধিকাৰ পাবলৈ এটা বিশেষ সুবিধা পাব। যেতিয়া মণ্ডলীক উঠোৱা হ'ল, পৃথিৱী বা সাগৰ, বা কোনো গছৰ ওপৰত বতাহ যেন নবলায়, এই কাৰণে, পৃথিৱীৰ চাৰি বায়ু ধৰি, পৃথিৱীৰ চাৰি চুকত থিয় হৈ থকা চাৰি জন স্বৰ্গদূত দেখা গ'ল। জীৱনময় ঈশ্বৰৰ ছাব লৈ, সূৰ্য উদয় হোৱা ঠাইৰ পৰা উঠি অহা আন এজন দূতে বৰ মাতেৰে ৰিঙিয়াই ক'লে, "আমি নিজ ঈশ্বৰৰ দাসবিলাকৰ কপালৰ ছাব নামাৰো মানে তোমালোকে পৃথিৱী বা সাগৰ, বা গছবোৰক হিংসা নকৰিবা"। প্ৰতিটো জাতিৰ পৰা ১২,০০০ লোককৈ ছাব মৰা মুঠ লোকৰ সংখ্যা ১,৪৪,০০০ জন আছিল। দান জাতিৰ নাম তাত নাছিল আৰু তাৰ ঠাইত মনচিৰ ফৈদক সম্পূৰ্ণ ৰচটা ফৈদ কৰা হ'ল। মহাক্লেশৰ প্ৰথম ৩১/২ বছৰৰ সময়ত যেতিয়া খ্ৰীষ্টাৰিয়ে পৃথিৱীত শাসন কৰিব, এই ছাব মৰা লোকসকলক উঠাই নিয়া হ'ব।

এই ১,৪৪,০০০ লোকসকল প্ৰভু যীচু খ্ৰীষ্টলৈ এটা বিশেষ দল হ'ব কিয়নো তেওঁলোকে তিৰোতাজনীত আসক্ত নহ'ল। তাৰ মানে তেওঁলোকে প্ৰকাশিত বাক্যৰ ১৭ অধ্যায়ৰ বেশ্যাজনীৰ প্ৰতিমা পূজাৰ সৈতে নিজকে প্ৰদূষিত নকৰিলে। তেওঁলোকে সিংহাসনৰ আগত নতুন নতুন গীত গাইছিল আৰু পৃথিৱীৰ পৰা উদ্ধাৰ পোৱা এই ১,৪৪,০০০ লোকৰ বাহিৰে কোনেও এই গীত শিকিব নোৱাৰিলে। তেওঁলোকে তিৰোতাজনীত আসক্ত নহ'ল আৰু মেৰ পোৱালি যিফালে গৈছিল তেওঁলোকো তাৰ পাছে পাছে গ'ল। তেওঁলোকেই মণ্ডলীক স্বৰ্গলৈ তুলি নিয়াৰ পাছৰ মানুহৰ প্ৰথম দল।

এই ১,৪৪,০০০ লোকসকলক তুলি নিয়াৰ পৰা পৰিত্যাগ কৰা হৈছিল। কিয়নো তেওঁলোকে পবিত্ৰতা আৰু সমৰ্পিতৰ মৰ্য্যদা পোৱা নাছিল। কিন্তু তেওঁলোকে ঈশ্বৰৰ বাক্য আৰু তেওঁৰ মৰ্য্যদাত অটল হৈ আছিল। আৰু প্ৰতিমা পূজাৰ দ্বাৰাই আকৰ্ষিত হোৱা নাছিল। গতিকে ঈশ্বৰে এটা বিশেষ সংকেত আগবঢ়ালে।

## যিহূদাৰ পৰিত্ৰাণৰ অন্তিম সুযোগ

ঈশ্বৰে তেতিয়াও সেই ১,৪৪,০০০ বিশেষ লোকসকলক অকস্মাতে তুলি নিয়াৰ সময়ত বঞ্চিত হোৱা যিহূদা বিলাকক ৰক্ষা কৰিবলৈ মনোযোগী আছিল। ঈশ্বৰৰ বাক্যই কয়, "কিয়নো ঈশ্বৰৰ যি অনুগ্ৰহৰ বৰ আৰু আমন্ত্ৰণ সেয়ে খেদহীন (ৰোমীয়া ১১ঃ২৯)।

যদিও তেওঁবিলাকে মচীহাক অস্বীকাৰ কৰিছিল ঈশ্বৰ কিন্তু তেওঁবিলাকৰ প্ৰতি বিশ্বাসী আছিল। বাইবেল কয়ঃ "আৰু দায়ুদ বংশৰ ও যিৰূচালেম নিবাসীবিলাকৰ ওপৰত মই অনুগ্ৰহ আৰু মিনতিৰ আত্মা বাকী দিম; তাতে তেওঁবিলাকে বিন্ধা যি মই, মোলৈ তেওঁবিলাকে চাব আৰু একেটি পুনৰ নিমিত্তে বিলাপ কৰাৰ নিচিনাকৈ তেওঁবিলাকে তেওঁৰ নিমিত্তে বিলাপ কৰিব আৰু প্ৰথমে জন্মা পুত্ৰৰ বিয়োগত মানুহে বেজাৰ পোৱাৰ দৰে তেওঁবিলাকে তেওঁৰ নিমিত্তে মনত বেজাৰ পাব (জখৰীয়া ১২ঃ১০)।

যদিও যিহূদাবিলাকে মচীহাক অস্বীকাৰ কৰিলে আৰু সমৰ্থন নকৰিলে, ঈশ্বৰে তথাপিও যিহুদাৰ ওপৰত তেওঁৰ অনুগ্ৰহৰ আত্মা বাকি দিবলৈ আৰু মিনতি কৰাত সন্তোষ পাইছিল। আৰু তেওঁলোকে তেওঁলোকৰ কুকৰ্মৰ বাবে শোক কৰিব। যি কি নহওক শেষ কালত গোটেই দেশৰ দুভাগ লোক উচ্ছন্ন হ'ব, মৰিব (এই ঘটনা খ্ৰীষ্টাৰীৰ দ্বিতীয় ৩১/২ বছৰৰ শাসনৰ কালত ঘটিব) আৰু তৃতীয় ভাগক জুইত সুমুৱাই ভয়ানক পৰীক্ষা কৰা হ'ব (জখৰীয়া ১৩ঃ৮)।

যিহূদা আৰু অযিহূদাবিলাক সৌভাগ্যশালী হয়, যদি তেওঁবিলাকক তুলি নিয়া হ'ব। তুলি নিয়াৰ পাছতহে যিহুদাবিলাকে ঈশ্বৰৰ ৰাজ্যত প্ৰৱেশ কৰিবলৈ সুযোগ পাব, তাকো যদি সুযোগত লাগি থাকিব আৰু ভয়ানক পৰীক্ষাত সফল হ'লেহে হ'ব। গতিকে, আজিয়েই পৰিত্ৰাণৰ

*....Contd. to page 9*


## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি হিন্দী, ইংৰাজী আৰু তামিল ভাষাত **আপোনাৰ- বাবে-নতুন জীৱনঙ্গ** নামেৰে এখন ৭০ পৃষ্ঠাজোৰা পাঠ্যক্ৰমৰ কিতাপ আগবঢ়াইছো এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হওক

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্য্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাছুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰকঙ্গ

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*



**The Chairman, Nehemiah Bible College,**
**Echo of His Call,** **Post Box 2957**
CHEPAUK, CHENNAI - 600 005.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**



## TAX EXEMPTION

Donations by any individual or organization from India to **Echo of His Call Educational Trust** are eligible for Income Tax exemption under Section 80G of the Income Tax Act. Official receipts will be issued for this purpose. Please make your Demand Drafts / Cheques / M.O. for such donations in favour of **Echo of His Call Educational Trust** and send to us.

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ

## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫**

### মই কিদৰে ডাঙৰ-দীঘল হ'লো

মই ১৯৪৯ চনৰ ৩ জুনত জন্ম হৈছিলো মোৰ পৰিয়ালত ময়েই প্ৰথম ল'ৰা সন্তান আছিলো। মোৰ পিতৃ-মাতৃ, ককা-দেউতা-আইতা আৰু পৰিয়ালৰ আন-আন সদস্যসকলে মোক এজন খ্ৰীষ্টিয়ান পুৰোহিত হোৱাটো বিচাৰিছিল। গতিকে তেওঁলোকে মোক প্ৰাৰ্থনাত আৰু বাইবেলৰ জ্ঞানত তুলি ডাঙৰ কৰিছিল।



চাণ্ডে স্কুল গীৰ্জালৈ মোক লৈ যোৱা হৈছিল। আমাৰ গীৰ্জাঘৰখন ধান খেতিৰ মাজতে আছিল আৰু তালৈ যাবলৈ কোনো উপযুক্ত পথ নাছিল। গতিকে মোৰ মোমাইহঁতে মোক তেওঁলোকৰ কান্ধত তুলি মোক দেওবৰীয়া গীৰ্জালৈ আৰু আন-আন উপাসনালৈ লৈ গৈছিল। মোৰ মাতৃ আৰু মাহীসকলে সদায় মোৰ লগতে আছিল। মোৰ চাণ্ডে স্কুল শিক্ষকসকল, ৰেভাঃ এলিয়াচ, বেবী, দেইচী, ভনী ৰেথনাম, মাহী গ্লানাচেলভাম আৰু গ্ৰেছে মোৰ ল'ৰালি কালত মোক প্ৰভু যীচুখ্ৰীষ্টলৈ আনিলে। মই গড় শিশু আৰু অসুস্থ হৈ আছিলে। গতিকে মোৰ শিক্ষকসকলে মোক বৰ মৰম কৰিছিল।

**Echo of His Call - YouTube**

Kindly view and subscribe our **Echo of His Call YouTube Channel** when you get time. Thanks. – Editor

### THE LORD WHO LOVES LITTLE CHILDREN!

মোৰ মাতৃয়ে মগ্নৰে বিশ্বাস কৰিছিল যে তেওঁ এজন ঈশ্বৰৰ দাস এজনক তুলি আছিল। তেওঁ মোৰ প্ৰতি তেওঁৰ অতিৰিক্ত যত্ন লোৱাটোক ঈশ্বৰলৈ তেওঁৰ পৰিচৰ্যা বুলি গণ্য কৰিছিল আৰু গতিকে তেওঁ মোক গীৰ্জাঘৰত আয়োজন কৰা পুৱাবেলা, দুপৰীয়া, সন্ধ্যাবেলাৰ উপাসনাত উপস্থিত নিশ্চয় কৰিব।

মোৰ মাতৃয়ে মোক তেওঁৰ কাষতে বহুৱাইছিল, গীত গাবলৈ মোক উৎসাহ দিছিল আৰু মনোযোগেৰে ঈশ্বৰৰ বাক্য শুনিবলৈ শিকাইছিল। সেই কালত ৰেভাঃ আই, আৰ, এইচ, গ্লানাদাচান নেয়ুৰৰ কেন্দ্ৰ মণ্ডলীৰ জ্যেষ্ঠ পালক আছিল। তেওঁ মোক উৎসৰ্গ কৰিছিল আৰু তেৱেঁই মোৰ নাম চাম ছেলভা ৰাজ বুলি দিছিল। (খ্ৰীষ্টত দীক্ষিত কৰিছিল) তেওঁ মোক আশীৰ্বাদ দি কৈছিল, “এই শিশুটি চামুৱেলৰ দৰে বাঢ়িব। তেওঁ এজন ধনীলোক হ'ব আৰু ঈশ্বৰৰ এজন ভাল সেৱক হ'ব।”

সেই কালত বৰদিন আহিলে মই আৰু মোৰ পিতৃ-মাতৃয়ে বহুত আনন্দ কৰিছিলো। প্ৰতি বছৰে শিশুবিলাকে বাইবেল পদ মুখস্থ কৰিছিল আৰু মুখস্থ গাই পুৰস্কাৰ লাভ কৰিছিল। মোৰ মনত পৰিছে ১৯৫২ চনত মই এই পদটি মুখস্থ কৈছিলো ঃ

“তেতিয়া অকস্মাতে স্বৰ্গবাহিনীৰ এক বৃহৎ দলে সেই দূতৰ লগ লৈ ... এইবুলি ঈশ্বৰৰ স্তুতি কৰিলে” (লূক ২ঃ১৩)

১৯৫৬ চনত, যেতিয়া মোৰ ৭ বছৰ বয়স হৈছিল, আমাৰ সন্মানীয় পালক, দেৱাদাচে ঈশ্বৰৰ বাক্য দিওঁতে মই শুনি আছিলো। সেই সময়ত পবিত্ৰ আত্মাই শক্তিশালী ৰূপে নিজকে মোলৈ প্ৰকাশ কৰিলে। মই স্পষ্টকৈ শুনিছিলো যে ঈশ্বৰে মোক প্ৰেম কৰে। ইয়াৰ প্ৰভাৱ মোৰ ওপৰত এনেদৰে পৰিলে যে মই ডাঙৰকৈ কান্দিবলৈ আৰম্ভ কৰি দিছিলো। ঈশ্বৰৰ উপস্থিতি মোৰ ওপৰত অহাটো স্পষ্টকৈ অনুভৱ কৰিছিলো। মোৰ মাতৃয়ে গভীৰভাৱে মোক লক্ষ্য কৰি আছিল।

উপাসনা শেষ হোৱাৰ পাছত, মই মোৰ মাতৃক সুধিছিলো, “মা, পালকজন স্বৰ্গলৈ যাব পাৰিবনে আৰু যীচুক চাবলৈ পাবনে?” মোৰ মাতৃয়ে উত্তৰ দি মোক ক'লে, “হয়, বোপা” মই লগে লগে মাক ক'লো, “ময়ো স্বৰ্গলৈ যাব বিচাৰিছো। মই তাত যীচুক চাব বিচাৰিছো। এইটো সম্ভৱ হ'ব নে মা?” তুমি যদি যীচুক বিশ্বাৰ কৰিবা আৰু তেওঁক নিজৰ হৃদয়ত এই পৃথিৱীত থকা সময়ত গ্ৰহণ কৰিবা, তোমাৰ ইচ্ছা পূৰ্ণ হ'ব” এই বুলি মোৰ মাতৃয়ে ক'লে।

এইদৰে মোৰ মাতৃয়ে মোক মোৰ হৃদয়ত প্ৰভু যীচুক ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰাত সহায় কৰিলে। সেইদিনাৰ পৰা, মোৰ হৃদয়ত এটা বেলেগ আত্মাই কাৰ্য্য কৰা অনুভৱ কৰিছিলো আৰু মই সদায় ঈশ্বৰৰ উপস্থিতিক অনুভৱ কৰিছিলো।

মোক কান্নাতুভিলাই চৰকাৰী প্ৰাথমিক বিদ্যালয়ত প্ৰথম মান শ্ৰেণীত নামভৰ্তি কৰোৱা হ'ল, মোৰ প্ৰথম ভাষা আছিল তামিল। মোৰ আইতাই সদায় মোক স্কুললৈ নিছিল আৰু ঘৰলৈ নিৰাপদে আনিছিল। মোৰ মাতৃয়ে সদায় মই স্কুললৈ যাবলৈ ওলোৱাৰ সময়ত মোৰ মূৰৰ ওপৰত তেওঁৰ সোঁ-হাত ৰাখি এইদৰে প্ৰাৰ্থনা কৰিছিলঃ “হে মোৰ প্ৰিয় ঈশ্বৰ, আজি মোৰ সন্তানটোৱে স্কুলত যিবিলাক পাঠ শিকিব, সেই সকলো পাঠ তোমাৰ ভৱিষ্যতৰ ৰাজ্যৰ বিস্তাৰৰ বাবে সহায়জনক হওক।”

মোৰ স্কুলৰ শিক্ষক সকলেও বিশ্বাস কৰিছিল যে ভৱিষ্যতে মই ঈশ্বৰৰ এজন দাস হ'ম। গতিকে তেওঁলোকে মোক প্ৰেম কৰিছিল আৰু মোক ভালকৈ শিক্ষা দিছিল। কিন্তু মই এজন দুষ্ট ল'ৰা আছিলো। সেই গ্ৰাম্য বিদ্যালয়ত

ইংৰাজী বিষয়টো মোৰ পঞ্চম শ্ৰেণীলৈকে (মান) শিকোৱা হৈছিল।

১৯৪৭ চনত আমাৰ মণ্ডলীৰ চাণ্ডে স্কুলৰ বাইদেউ ৰেথ্নাৰ মোক খবৰ দিয়া হ'ল যে, মুখস্থ পদ কোৱা প্ৰতিযোগিতাত মোৰ নাম অন্তৰ্ভুক্ত কৰা হোৱা নাই। তেওঁ কৈছিল, "যদি ঈশ্বৰৰ ইচ্ছা হয়, তুমি পৰৱৰ্তী বছৰত এটা সুবিধা পাবা।"

মোৰ হৃদয়খন ভাঙি গৈছিল আৰু কান্দি কান্দি মই সেই বিষয়টোক মোৰ মাতৃক ক'লো। মোৰ মাতৃয়ে মোক উপদেশ দি ক'লে, "অহা বৃহস্পতি, শুকুৰবাৰ আৰু শনিবাৰে আহাৰ কমকৈ গ্ৰহণ কৰি ঈশ্বৰৰ আগত আঁঠু লৈ আৰু যীচু আমাৰ পিতৃক তুমি এতিয়া মোক কোৱা কথাবোৰ ক'বা।" তেওঁ মোক দুটা গীতো শিকালেঃ

১।"যি শিশু ঈশ্বৰক প্ৰেম কৰে কষ্টৰ ভয় নাখাব সজাত থকা পখিৰ দৰে,

২। "মোৰ আত্মাৰ মোৰ প্ৰিয় মেৰৰখীয়া!
মোৰ হৃদয়ৰ উল্লাস এইয়ে যে!
তোমাক মোৰ কাষলৈ অনাটো
গভীৰ আসক্তিৰে মই আগলৈ আহিছো।"

গীত

মই যেতিয়া প্ৰাৰ্থনা কৰো, কোৱা কোৱা !
মোক তোমাৰ ইচ্ছাক দেখুওৱা, সেইমতে কাৰ্য্য কৰিবলৈ সাজু আছো

১। যি সকলে সত্য উদ্ধাৰকৰ্ত্তাৰ বাধ্য হয়
তেওঁলোকক আত্মাৰ সান্ত্বনাৰ বাবে এটি ঠাই ৰাখা
এই ঠাই পাবলৈ মোকো দিয়া
-কোৱা

২। পাপীবিলাকলৈ তোমাৰ যি প্ৰেম
মোৰ আচৰণৰ যোগেদি মোক প্ৰকাশ কৰিবলৈ দিয়া।
কালবাৰীৰ আমাৰ দ্বাৰাই মোক অভিষেক কৰা।
যাতে মই মোৰ যুদ্ধত জয়ী হ'ম।
- কোৱা

৩। মোৰ জীৱনত আটাই দিনবিলাকত
তুমি চলি যোৱা পথত ময়ো চলিম
স্বইচ্ছাই মই মোৰ সকলো বস্তু দিম।
অহ উদ্ধাৰকৰ্তা, মোক তোমাৰ শক্তি দিয়া।"
- কোৱা

এই গীতবোৰক মই তেতিয়া তিনিদিন ধৰি গাই আছিলো আৰু বৰদিনৰ দিনা মোৰ মণ্ডলীত মুখস্থ পদ ক'বলৈ সুযোগ পাবৰ বাবে যীচুলৈ চকুলোৰে প্ৰাৰ্থনা কৰি আছিলো।

প্ৰথমবাৰৰ বাবে, প্ৰভু ঈশ্বৰে মোৰ প্ৰাৰ্থনাৰ উত্তৰ দিলে যেতিয়া আমাৰ পৰিয়ালে সেই দেওবাৰে পুৱাবেলাত গীৰ্জালৈ গৈ আছিল, আমাৰ পালক দেৱাদাচে পথত আমাক লগ পাইছিল। সেই সময়ত তেওঁ মোৰ ফালে চাই অকস্মাতে সুধিলে, "এই বৰদিনত তেওঁলোকে তোমাক কোনটো গীত বা মুখস্থ পদ সম্পন্ন কৰিবলৈ দিছে?" মোৰ মাতৃয়ে ক'লে, "কোনোটোৱেই দিয়া নাই।"

পালকজনে মোক ক'লে, "আন শিশুবিলাকে কেৱল এটা পদহে মুখস্থ ক'ব। কিন্তু তুমি গীতমালাৰ গোটেই ২৩ অধ্যায়টোক মুখস্থ ক'ব লাগিব।" মই গীতমালা ২৩ অধ্যায়ৰ আটাই ছয়টা পদ মুখস্থ কৰিলো আৰু উপাসনাত কোনো এটা ভুল নকৰাকৈ মুখস্থ গালো। সেয়ে তেওঁলোকে মোক প্ৰথম পুৰস্কাৰৰ বাবে বাছি ল'লে আৰু মই এটা ধুনীয়া চাবোনৰ বাকচ



পালো। এই ঘটনাই যীচুখ্ৰীষ্টত মোলৈ আনন্দ আৰু সাহসৰ সৃষ্টি কৰিলে। প্ৰাৰ্থনাত মোৰ বিশ্বাস আৰু বাঢ়ি গ'ল।

"মোক মাতা"... (যিৰিমিয়া ৩৩ঃ৩) এই বাক্য মোৰ বাবে পথপ্ৰদৰ্শক হৈ থাকিল। সেইদিনাৰ পৰা, মই মোৰ প্ৰাৰ্থনাত ঈশ্বৰৰ সৈতে সহভাগিতা ৰাখিবলৈ আৰম্ভ কৰিলো।

❖❖❖❖❖

---

*(সপ্তমপৃষ্ঠাৰ পৰা)*

সময় আৰু প্ৰভু যীচু খ্ৰীষ্টক গ্ৰহণ কৰাৰ সঠিক সময় আৰু অকস্মাতে তুলি নিয়াৰ সময়ত প্ৰকৃত সুযোগ পাবলৈ তেওঁৰ নিজ সন্তানৰ দৰে থাকিব লাগিব।

দ্ৰাক্ষালতা ইস্ৰায়েলবিলাকৰ জীৱনত এটা গুৰুত্বপূৰ্ণ বিষয় হয়। এইটো এটা শ্ৰম নিবিড় শিল্প। য'ত অনেক মানুহ জড়িত হৈ থাকে। বিবাহ ঘৰত আৰু ঘৰুৱা উৎসৱৰ সময়ত দ্ৰাক্ষাৰস ব্যাপকভাৱে ব্যৱহাৰ হয়।

ডিমৰু গছ, এবিধ ওখকৈ হোৱা গছ, ইয়াৰ ডালবোৰ চাৰিওফালে বিস্তৃত হৈ থাকে। ইস্ৰায়েলত এই গছ ব্যাপকভাৱে হয়। ভাৰততো এই গছ পোৱা যায়। ইয়াক প্ৰধান খাদ্য ৰূপে ব্যৱহাৰ কৰা হয় আৰু ইয়াত ঔষধি গুণ আছে। এটা ঋতুত ইয়ে ফল দিয়ে। এদিন যীচু আৰু তেওঁৰ শিষ্যবিলাকে বৈথনিয়াৰ পৰা ওলাই আহিছিল। যীচুক ভোক লাগিছিল। তেওঁ পাতৰ সৈতে এজোপা ডিমৰু গছ দেখিছিল। যীচুৱে ফল খাব বিচাৰিছিল, কিন্তু একো নাপালে। যীচুৱে ডিমৰু গছজোপাক শাও দি ক'লে, "এতিয়াৰে পৰা কোনেও আৰু কেতিয়াও তোৰ ফল নাখাওক" (মাৰ্ক ১১ঃ১২-১৪)।

'দ্ৰাক্ষালতাৰ বাৰীত ডিমৰু গছ টোৱে যিহুদাবিলাকৰ সৈতে পৰজাতিবিলাকক যোৰ কৰাৰ প্ৰতীকস্বৰূপ। পৰিত্ৰাণ যিহুদাবিলাকৰ হয়; ঈশ্বৰে তেওঁৰ প্ৰচুৰ অনুগ্ৰহ, পৰজাতিবিলাকলৈ আগবঢ়ালে। পৰজাতিবিলাকে এই সুযোগটোক ধৰি ৰাখিব লাগিব আৰু ফল দিব লাগিব, নহ'লে তেওঁবিলাকক জুইত পুৰি পেলোৱা হ'ব।

জলফাই এবিধ মূল্যৱান শস্য হয়। এই গছ ব্যাপকভাৱে ইস্ৰায়েলত হয়। এই ফল তেলৰ বাবে বিখ্যাত হয়। ইয়াক ৰান্ধিবৰ বাবে, চাকি জ্বলাবৰ বাবে আৰু আন আন ঔষধিৰ উদ্দেশ্য ব্যৱহাৰ কৰা হয়। যদি ইয়াক মুখত নিয়মীয়াকৈ লগোৱা হয়, মুখখন উজ্জ্বল হয়। "যাতে মানুহৰ মনক আনন্দ দিয়া দ্ৰাক্ষাৰস মুখ উজ্জ্বল কৰা তেল, আৰু মানুহৰ হৃদয়ক সবল কৰা আহাৰ যোগান

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

হয় (ঘেঁহু আৰু ডিমৰু গছ) (গীতমালা ১০৪ঃ১৫)।

আহক আমি, দ্ৰাক্ষালতা, ডিমৰু আৰু জলফাই আমাৰ উদ্ধাৰকৰ্তা আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ বাবে যিমান গুৰুত্বপূৰ্ণ তাতোতকৈ আমাৰ দেশলৈ আমি ব্যৱহাৰিত হ'ম! হাল্লিলূয়া!!

❖❖❖❖❖

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **S. Sam Selva Raj** |
| A/C No. | : | **1023 2934 679** |
| IFSC | : | **SBIN 00 00 249** |

SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

| | | |
|---|---|---|
| Branch | : | **Anna Salai, Chennai-6** |
| Name | : | **Echo of His Call** |
| A/C No. | : | **6038 0502 2319** |
| IFSC | : | **ICIC 000 6038** |

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **Echo of His Call Educational Trust** |
| A/C No. | : | **1023 2923 805** |
| IFSC | : | **SBIN 00 00 249** |

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATIONS BY ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th MARCH 2022
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers**, New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**